# অসম জাতীয় বিদ্যালয়ত মহাপুৰুষ দিৱস উদ্‌যাপন

নুনমাটি, গুৱাহাটী ৩ ছেপ্টেম্বৰ  : নুনমাটিস্থ অসম জাতীয় বিদ্যালয়ত মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি মহাপুৰুষ দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ভাগৱত আসনৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিদেৱে। অনুষ্ঠানত মহাপুৰুষসকলক সোঁৱৰণ কৰি ‘কাকতৰ টোপোলা’ নামৰ এখনি প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ কৰি অনা হয় অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ শিল্পী খনা দাস বাইদেউক। তেখেতে অনুষ্ঠানত মহাপুৰুষসকলক সুঁৱৰি শংকৰদেৱৰ ৰচিত নাটৰ এটি শ্লোক পৰিৱেশন কৰে আৰু মাধৱদেৱ সম্পৰ্কে সাৰগৰ্ভ বক্তৃতা আগবঢ়ায়। আনহাতে অনুষ্ঠানত বিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে মহাপুৰুষসকলে সৃষ্টি কৰি থৈ যোৱা বিভিন্ন নৃত্য-গীত আৰু নাম-প্ৰসংগ অনুষ্ঠান পৰিৱেশন কৰে। তদুপৰি একাংশ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ আৰু দামোদৰদেৱক সোঁৱৰণ কৰি তেখেতসকলৰ জীৱনৰ বিভিন্ন দিশৰ বিষয়ে বক্তৃতা আগবঢ়ায়। উল্লেখ্য যে মহাপুৰুষ দিৱসৰ লগত সংগতি ৰাখি এখনি ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। তিনিটা শাখাত প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা হয়। ‘ক’ শাখাৰ প্ৰথম পুৰস্কাৰ লাভ কৰে ভাৱনা তালুকদাৰ (সপ্তম ক), দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ ক্ৰমে অম্লানজ্যোতি শইকীয়া (ষষ্ঠ গ) আৰু বিশালাক্ষী শৰ্মা (ষষ্ঠ গ)। ‘খ’ শাখাৰ প্ৰথম পুৰস্কাৰ লাভ কৰে গৌৰৱ দাস (নৱম গ) দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে দিশা চক্ৰৱৰ্তী (নৱম খ) আৰু অন্বেষা শ্ৰেষ্ঠা (নৱম ক)। ‘গ’ শাখাৰ বিশেষ পুৰস্কাৰ লাভ কৰিছে একাদশ আৰু দ্বাদশ কলা শাখাৰ ক্ৰমে দ্বীপজ্যোতিনন্দ ভট্টাচাৰ্য আৰু প্ৰগতি শৰ্মা। অনুষ্ঠানৰ আঁত ধৰে দশম শ্ৰেণীৰ জ্যোতিশিখা চৌধুৰী আৰু নেহা দাসে। সমগ্ৰ অনুষ্ঠানটোৰ পৰিচালনাৰ দায়িত্বত থাকে বিদ্যালয়ৰ শিক্ষয়িত্ৰী নিশা দেৱী।

ঘনশ্যাম মেধি

ঘনশ্যাম মেধি<br>
অধ্যক্ষ<br>
অসম জাতীয় বিদ্যালয়